চৰম দুৰ্যোগৰ সময়ত আৰু সমগ্ৰ জাতিটোৰ অস্তিত্ব বিপদাপন্ন হোৱাৰ সময়ত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আদি কিছুমান অসমীয়াই আমাৰ ভাষা সাহিত্য ৰক্ষা কৰিছিল। আজি আকৌ নতুন প্ৰজন্মই আমাৰ নতুন বিপদৰ সূচনা কৰিছে।' ধীৰাজৰ কথাখিনিত কিছু আবেগ-মিশ্ৰিত ক্ষোভৰ ইংগিত ফুটি উঠিল।

'ৰণি, তোমাক মই আৰু দুটামান প্ৰশ্ন কৰিম। এতিয়া কোৱা 'অৰুণাচল প্ৰদেশৰ ৰাজধানীৰ নাম কি?'

'ইটানগৰ।' উত্তৰটো দি ৰণিয়ে কিছু সাহস পোৱা যেন অনুমান হ'ল। সি দ্বিতীয় প্ৰশ্নটিৰ বাবে সাহসেৰে সন্মুখীন হ'বলৈ চেষ্টা কৰিলে।

'গুড। এতিয়া কোৱা—'জয়মতী' অসমীয়া চিনেমাখন কোনে পৰিচালনা কৰিছিল?

'বি, আৰ, চোপ্ৰা।' ৰণিয়ে মুহূৰ্ত সময় ব্যয় নকৰি উত্তৰ দিলে। 'ভুল' ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা। আজি কুইজ প্ৰতিযোগিতাৰ ইমানতেই সমাপ্ত। এতিয়া ৰেষ্ট। অনিন্দা চাহৰ ব্যৱস্থা কৰা।' ধীৰাজে কথাখিনি হাঁহি হাঁহি ক'লে।

ৰণিয়ে পৰাজিত সৈনিকৰ দৰে বহি ৰ'ল। তাৰ মুখ-মণ্ডল ম্ৰিয়মান। একে প্ৰতিক্ৰিয়া তাৰ পিতৃ-মাতৃৰ মুখতো ফুটি উঠিল।

'ৰণি তুমি খেলা-ধুলা কৰা।?

সি মূৰ জোকাৰি দিলে।

'তাৰ স্কুলৰ আৰু টিউচনৰ যি লোড্ ক'ত সময় পায়?'

'তাৰ মাজতে চুবুৰীয়া সমবয়সীয়া ল'ৰা-ছোৱালীৰ লগত খেলিব পাৰে দেখোন। চুবুৰীয়া ল'ৰা-ছোৱালীৰ লগত মিলামিচা কৰিলে ৰণিৰ সামাজিক সম্পৰ্ক বৃদ্ধি পাব।

'ভাল কথা কৈছা তুমি? তাৰ স্কুলমেটবোৰৰ তাৰ দৰেই একে অৱস্থা। স্কুলৰ লোড বাহিৰা ল'ৰা-ছোৱালীৰ লগতো আমাৰ ষ্টেণ্ডাৰ্ড নিমিলে। সিহঁতৰ লগত মিলা-মিচা কৰিব দিবলৈ ভয়েই লাগে। মাৰপিট কৰিব পাৰে. ভাষাও বেয়া।' 'তাৰ মনৰ ওপৰত প্ৰভাব পৰিব।

ধীৰাজে অনিন্দাৰ কথাখিনি শুনি মনে মনে থাকিল। মাথো মূৰটো জোকাৰি সঁহাৰি দিলে। তথাপি তাৰ মনত কিছুমান প্ৰশ্নই জুমুৰি দি থাকিল।

'ৰণি তোমাৰ বন্ধু আছে নে নাই।

'আছে! মাই ইন্টিমেট ফ্ৰেণ্ড হ'ল ডেভিদ' উত্তৰ দিলে।

'ডেভিদৰ পিতাকৰ নাম কি?'

'প্ৰবীন চৌধুৰী। পি, ডব্লিউ-ডি-ৰ ইঞ্জিনিয়াৰ।'

'ডেভিদৰ লগত তুমি খেলা-ধুলা কৰা নিশ্চয়?'

'নাই ডেভিদৰ ঘৰ দূৰত। তাৰো মোৰ দৰে সময় নাই।'

'আচলতে ল'ৰা-ছোৱালীবোৰে মুকলিকৈ কিছু খেলা-ধুলা কৰা উচিত। তেতিয়া শৰীৰ মন বিকাশ হয়।' কথাটি তিৰ্য্যক ভাবে পংকজৰ পিনে ঠেলি দিলে ধীৰাজে।

পংকজে ক'লে, ৰণিয়েতো সাঁতোৰৰ ট্ৰেইনিঙত যায়। তাৰ উপৰিও জুডোত নাম লগাই দিছো। তুমি আংকুলক অলপ জুডো প্ৰদৰ্শন কৰি দেখুৱা।'

ৰণিয়ে থিয় দিলে। বিভিন্ন অংগি ভংগিৰে জুডোৰ কৌশল প্ৰদৰ্শন কৰি প্ৰত্যেকটি কৌশলৰ

নাম উল্লেখ কৰিব ধৰিলে।

'ওৱেল ডান মাই বয়।' বুলি কৈ পংকজে হাত তালি দিলে। জুডো প্ৰদৰ্শন শেষ কৰি ৰণিয়ে চোফাত বহি সমগ্ৰ শৰীৰটো এৰি দিলে। তাৰ ভাগৰ লগাৰ আভাষ মুখমণ্ডলত ফুটি উঠিল। কপালত তাৰ ঘামৰ টোপাল। চকুত ক্লান্তিৰ আভাষ। ধীৰাজৰ ৰণিৰ প্ৰতি প্ৰবল সহানুভূতি জন্মিল। সামাজিক মৰ্য্যাদাৰ জখলাত বগাবলৈ আজি এক শ্ৰেণী অভিভাৱকৰ মাজত এক অদ্ভূত প্ৰতিযোগিতা চলিছে। ইয়াৰ বাবে তেওঁলোকে নিজৰ উত্তৰাধিকাৰীক নিজস্ব সমাজ ভাষা, সংস্কৃতিৰ পৰা আতঁৰাই আনিছে। ইয়াৰ প্ৰতিক্ৰিয়া কি হব তেওঁলোকে নিজেই নাজানে, বা জনাৰ অৱকাশও নাই। ধীৰাজে ৰণিৰ পিনে চাই সুধিলে "বাৰু, ৰণি তোমাৰ জীৱনৰ লক্ষ্য কি?

ধীৰাজৰ প্ৰশ্ন শুনি ৰণি পুনৰ সচকিত হৈ পৰিল।

"মোৰ"?

"হয়, তোমাৰ"

"মই ডাক্তৰ হম"

"ভাল কথা। ডাক্তৰ হৈ কি কৰিবা?

"মই এটা ডাঙৰ আৰু আধুনিক নাৰ্চিং হোম খুলিম। বহুত টকা ইনকাম হব। ডাঙৰ সুন্দৰ ঘৰ এটা বান্ধিম। ডেভিদৰ দেউতাকৰ দৰে বহুত টকাৰ মানুহ হম। এখন বিদেশী গাড়ী কিনিম"। কথাখিনি ৰনি উচ্ছাসেৰে কৈ গ'ল।

সমাজৰ জখলাত উঠিবলৈ ৰনিৰ আগ্ৰহ দেখি পংকজ আৰু অনিন্দাৰ মুখমণ্ডলত সফল মাক-বাপেকৰ আনন্দ ফুটি উঠিল। দুয়োৰে বিজয় গৌৰৱেৰে ধীৰাজৰ মুখলৈ চালে। দুয়োৰে মুখৰ অভিব্যক্তি চাই ধীৰাজে এটা যান্ত্ৰিক হাঁহি দিলে। সি বৰ্ত্তমান সমাজ ব্যৱস্থাৰ আচল স্বৰূপটি মনতে উপলব্ধি কৰিবলৈ যত্ন কৰিলে। আজিৰ সমাজখনত চলি থকা প্ৰতিযোগিতাখন ব্যক্তিৰ সা-সুবিধাৰ প্ৰশ্নকলৈ যেন ঘূৰিব ধৰিছে। তেওঁলোকৰ কাৰো বৃহত্তৰ সমাজখনৰ প্ৰতি ভাবিবলৈ অবকাশ নাই। সি কথাটো কৰ খুজি বন্ধ কৰিলে।

( ৪ )

সুদীৰ্ঘ কষ্টসাধ্য প্ৰদৰ্শনৰ পাচত ৰনিৰ মুখমণ্ডলত ক্লান্তিৰ ভাব ফুটি উঠিল। অতিৰিক্ত সময় খেলা ফুটবল খেলুৱৈৰ দৰে তাৰ থিয় দিয়াৰ শক্তি নিশেষ হোৱা যেন লাগিল। সি শৰীৰটো চোফাখনত এৰি দিলে। নিমিষতে তাৰ চকুত নামি আহিল টোপনি। ধীৰাজে তাৰ পিনে আবেগিক সহানুভূতিৰে চাই থাকিল। সি উঠি গৈ তাৰ ওচৰত বহিল। ৰনিৰ মুৰটো ধীৰাজে লাহে লাহে পিহি দিবলৈ ধৰিলে। তাৰ মনত ভাব হ'ল ৰনি যেন এজন হতভাগ্য শিশু শ্ৰমিক। সামান্য ভাত কাপোৰৰ বাবে সি যেন শৈশৱৰ আনন্দ কি বস্তু সি বুজিব নোৱাৰিলে কোনো দিনে। সি বন্দী। তাৰ মুক্তি নাই। জীৱনৰ সকলো আনন্দ আবেগ বিসৰ্জন দি যান্ত্ৰিকভাবে নিৰ্দেশিত কামবোৰ কৰি যাব লাগিব। গভীৰ মমতাৰে ধীৰাজে ৰনিৰ কপাল আৰু মুখমণ্ডলত জমা হোৱা ঘামবোৰ মচি দিবলৈ ধৰিলে। ◎

# স্মৃতিৰ উপলব্ধি

মহম্মদ আজিজুৰ ৰহমান
উঃ মাঃ ২য় বৰ্ষ (কলা শাখা)

আমি দুজন তেতিয়া সৰু খেৰি ঘৰটোৰ ভিতৰত থকা বাহঁৰ খাটখনত শুই আছো। ভিতৰৰ সম্পূৰ্ণ আন্ধাৰৰ মাজত আমি দুটা প্ৰাণী মই ৰাজেন আৰু জগদীশ। তৃতীয় এজন ব্যক্তিয়ে শুশুনাকৈ সৰু সৰুকৈ আমি কথা পাতিছো। জগদীশৰ ঘৰৰ ওচৰতে জৰী এডালৰ দৰে পৰি থকা দিনৰ ব্যস্ত ৰাজপথটিত যান-বাহনৰ সংখ্যা কমি আহিছে। মাজে মাজে দুই এখন গাড়ী তীব্ৰ বেগে পাৰ হৈ গৈছে। পুলিচ মিলিটাৰীৰ ব্যস্ততাৰ কথা সোঁৱৰাই দিয়ে পাৰ হৈ যোৱা গাড়ীবোৰৰ বিশেষ শব্দৰ পৰা। ওপৰলৈ মুখ কৰি জগদীশে চিগাৰেট হুপি ধোঁৱাবোৰ ৰিং কৰি এৰি দিছে। ৰিংবোৰ কুণ্ডলি পকাই ওপৰলৈ গতি লৈছে। মাজে মাজে ডিচেম্বৰৰ শীতল বতাহ জাকে ধোঁৱাৰ তৰপটো খানবান কৰি দিছে।

'ধৰপাকৰ ইতিমধ্যে ভালদৰে আৰম্ভ হৈছে।' জগদীশে শুই শুই লাহেকৈ কলে।

'তাতে কি হ'ল ? এইটো ৰাষ্ট্ৰযন্ত্ৰৰ এটা সাধাৰণ নিয়ম। তুমিতো এই লাইনত নতুন। নিশ্চয় চিন্তিত হৈছা। তোমালোকে আগতে অশান্ত আইন, সহস্ৰ বাহিনী বিশেষ ক্ষমতা আইন সেইবোৰৰ প্ৰয়োগ দেখা নাই। লাহে লাহে সেইবোৰৰ সন্মুখীন হবা।' ৰাজেনে অভিজ্ঞৰ দৰে কথাখিনি ক'লে। কিছুপৰ মৌন হ'ল। আন্ধাৰত ডুব গৈ থকা জুপুৰিটো এই মৌনতাই আৰু গধুৰ কৰা যেন লাগিল জগদীশক। সি খাটখনৰ পৰা উঠি ঠিয় হ'ল। অলপ আগুৱাই গৈ খিৰিকিখনৰ বাঁহৰ ফাঁকৰ মাজেদি বাহিৰলৈ চাই পঠিয়ালে। দীঘলীয়াকৈ দুটামান উশাহ ললে। ষ্ট্ৰিট লাইটৰ পোহৰত দূৰৈত দুজনমান মানুহে কথাকৈ থকা তাৰ দৃষ্টি গোচৰ হ'ল। সি পুনৰ ঘূৰি আহি বিচনাখনত বহি পৰিল। তেতিয়া ৰাজেনে চুপ চাপ বহি আছে। তাৰ যে মনত কিবা খেলি আছে সেইটো জগদীশে উমান পালে।

'বাৰু ৰাজেনদা, মইতো এই লাইনত নতুন মানুহ। অৱশ্যে আজিৰ ক্ষেত্ৰত নতুন পুৰণাৰ প্ৰশ্ন নাই। আদৰ্শ আৰু মূল্যবোধ হৃদয়ত উপলব্ধি কৰাৰ ওপৰতহে বেছি নিৰ্ভৰশীল, সেইটো মই বিশ্বাস কৰো। তথাপি আজি কিছুমান কথা সুধিবলৈ খুব মন গৈছে। সুদীৰ্ঘ কাল ধৰি আপুনি বিপ্লৱৰ লগত জড়িত আৰু মই আজিও বিশ্বাস কৰো আপুনি প্ৰত্যয়ত অটল; কিন্তু কেতিয়াবা বিপ্লৱৰ পথ নিষ্কণ্টক কৰিবলৈ যোৱাত, আপুনি এনে কিছুমান কাম কৰিছে, আজিও যি ঘটনা ৰাজিয়ে আপোনাৰ বিবেকক আঘাট দিয়ে। নাইবা ৰূঢ় বাস্তৱতাৰ আঁচোৰত নিজৰ বিশ্বাস প্ৰত্যয়ত আঘাট হানি আপোনাৰ মনত নতুন প্ৰশ্নৰ জোঁৱাৰ আনে।

আজি ৰাতিৰ ভিতৰতে আপুনি এই ঠাই পৰিত্যাগ কৰিব। মই হয়তো আপোনাক লগ আৰু নাপাব পাৰো, পালেও হয়তো আজিৰ দৰে ইমান নিবিড় ভাবে নহব। সেয়ে আপোনাৰ পৰা মই এনে কিছুমান অভিজ্ঞতাৰ বিষয়ে শুনিব বিচাৰো যিবোৰে মোক বিপ্লবৰ পথত দৃঢ় কৰিব পাৰে। দীঘলীয়াকৈ কথাখিনি কৈ সি আন্ধাৰৰ মাজত ৰাজেনৰ মুখমণ্ডলৰ প্ৰতিক্ৰিয়া নিৰীক্ষণ কৰিলে। ৰাজেনে কিছু সময় নিৰৱতা অৱলম্বন কৰিলে। এটা দীঘল নিশ্বাস জগদীশে শুনিবলৈ পালে। তাৰ ভয় লাগিল, জানোচা তাৰ কথাত ৰাজেন ক্ষুন্ন হৈছে।

'ৰাজেনদা মই এনেয়ে জানিবৰ বাবে সুধিছো। ইয়াত আন উদ্দেশ্য নাই।' জগদীশে শংকা মিহলি কণ্ঠৰে ক'লে।

'জানা জগদীশ অসময়ৰ মানুহৰ কিবা এটা কৰিব পৰাৰ আশাতে এই পথ মই বাচি লৈছো। কিন্তু মাজে মাজে যেতিয়া মই অকলে থাকো, বহু চিন্তা আৰু সন্দেহে মনটো জুমুৰি ধৰে। নিজৰ মাজত তুমুল বিতৰ্ক হয় আদৰ্শক বাস্তৱত ৰূপায়নৰ প্ৰশ্ন লৈ। তোমাৰ প্ৰশ্ন শুনি মনত পৰিছে সৰু ভাইটিলৈ। কলেজীয়া ছাত্ৰ ভাইটি পঢ়াশুনাত ভাল। বাহিৰা কিতাপ পত্ৰ পঢ়ে। দেশ বিদেশৰ খবৰ ৰাখে। সিও এটা সময়ত মোক প্ৰশ্ন তুলিছিল বিপ্লৱৰ নামত চলা হত্যা সম্বন্ধে। সি কৈছিল—সকলো হত্যাৰ বিপৰীতে অকাট্য যুক্তি দাঙি ধৰিব পাৰিলেও, প্ৰত্যেক হত্যাৰ অন্তৰালত নিহিত হৈ থাকে এক গভীৰ গোপন কাৰোবাৰ ব্যক্তিস্বাৰ্থ। প্ৰতিটো হত্যাৰ বাস্তৱিয়ে প্ৰচণ্ড ভাবে মানৱ আত্মাৰ ওপৰত আঘাত হানে। তাৰ মতে হত্যাই কেতিয়াও কোনো ব্যক্তিক, সমষ্টিক, সমাজক আগবঢ়াই নিয়াৰ উদাহৰণ নাই। হত্যাই কাকো মহান কৰি নুতুলে। হত্যাৰ সপক্ষে যিমানে যুক্তি অৱতাৰণা নকৰো কিয়, সকলো যুক্তিয়ে শেষত কিন্তু মানৱতাৰ ওপৰত আঘাত হানে।' কথাখিনি কৈ ৰাজেনে কিছু থমকি ৰ'ল। সি বাঁহৰ চাঙখনৰ পৰা উঠি ঘৰৰ ভিতৰতে লাহে লাহে খোজ কাঢ়িব ধৰিলে। ইটো মূৰৰ পৰা সিটো মূৰলৈ। তাৰ পিচত বিচনাখনৰ ওচৰলৈ গৈ কাপোৰৰ তলৰ পৰা চিগাৰেট এটা উলিয়াই জ্বলাই জগদীশৰ ওচৰত বহিল। জগদীশ মই এনে কিছুমান দুৰ্বহ স্মৃতিৰ বোজা বহন কৰিছো, যিবিলাকে আজিও মোক মাজে মাজে বিব্ৰত কৰে আৰু মনত আনি দিয়ে দ্বিধাগ্ৰস্ততা। আকৌ দুয়ো নিৰৱ হৈ পৰিল। বাহিৰৰ পথত মটৰৰ শব্দই দুয়োৰে নিৰৱতা ভংগ কৰাৰ বাহিৰে ঘৰটো আছিল নিৰৱতাত ডুবি।

এদিন মই ৰাতিটোৰ বাবে এঘৰ মানুহৰ ঘৰৰ দুৱাৰত টোকৰ দিলো। মানুহ এজন কোন বুলি দুৱাৰখন খুলি দিয়াত মই ঘৰৰ ভিতৰত সোমাই দুৱাৰখন বন্ধ কৰি দিলো। মোৰ আচহুৱা আৰু অদ্ভুত কাৰ্য্যত মানুহ জনো সচকিত হৈ উঠিল। মোৰ ফালে সন্দেহেৰে চালে। ভয়ত তেওঁৰ মুখ বিবৰ্ণ হৈ পৰিল। ৰাজেনে classic ভংগীত কথাবোৰ আৰম্ভ কৰিলে।

'মই এটা বিপ্লৱী সংগঠনৰ সদস্য। আপুনি চিন্তা নকৰিব। আজি ৰাতিটোৰ কাৰণে জিৰণি লম আৰু কাইলৈ গুচি যাম। ৰাজেনে মানুহ জনক আশ্বাস দিবলৈ চেষ্টা কৰিলে।

মোৰ নাম দিবাকৰ দাস। মই ওচৰৰ

কলেজৰ অধ্যাপক। এইবিলাক ঝামেলাত আমাকনো কিয় সোমায়। আজি কালি দিন বোৰও বেয়া হ'ল। তথাপি পাৰিবা।' অধ্যাপক দাসে মোক বহিবলৈ দি ভিতৰলৈ সোমাই গ'ল। অলপ পিচত মোক হাত ধুবৰ বাবে বাথৰূম দেখুৱাই দিলে। বাথৰূমৰ পৰা ঘূৰি আহাৰ পাচত দেখিলো যে চাহ দুকাপ।

"বৰ বেয়া সময়ত ওলালা এই ৰাতিখন। ঘৰত্তো বিশেষ একো নাই। সুদাই নিকাই যি পোৱা খাব লাগিব। সশস্ত্র সংগ্রামীৰ বাবে থকা খোৱাৰ চিন্তা কৰাৰ সময় নাই। তোমালোকৰ আদর্শ নায়ক লেটিন আমেৰিকাৰ গেৰিলা সংগ্রামৰ তাত্ত্বিক 'আৰ্নেষ্টো চে'গুৱেভাৰাৰ কষ্ট সহিষ্ণু জীৱনৰ কাহিনী নিশ্চয় তোমালোকে জানা। গতিকে মোৰ ইয়াত সাধাৰণ কষ্টকণ একো কথা নহয়। অধ্যাপকে কথাখিনি কৈ অলপ হাঁহাযেন কৰিলে। তেওঁৰ মুখমণ্ডলত এটা শংকাৰ চিন ফুটি উঠিল।

'চাৰ, আপুনি চিন্তা কৰিব নালাগে। একো দিগদাৰি নহয়। সংগঠনৰ কামত আহি বিপদত পৰাৰ ভয়ত আপোনাৰ তাত সোমাই আপোনাকহে দিগদাৰ দিলো।' বিনয়ৰ সুৰত ৰাজেনে কলে।

'নাই নাই। মই একো ভবা নাই।' অধ্যাপকে কলে। কথাৰ মাজতে দুয়োজনে হাতত চাহ তুলি ললে।

"চাৰ, আপুনি লেটিন আমেৰিকাৰ বিপ্লৱ আৰু চে'গুৱেভাৰৰ সম্বন্ধে নিশ্চয় পঢ়াশুনা কৰিছে। আমাৰ মাজত চে'গুৱেভাৰা যদিও বেচ জনপ্রিয়, তথাপি মই বেচি পঢ়াশুনা কৰা নাই। মই সুধিব বিচাৰিছো চাৰ, চে'গুৱেভাৰাৰ তত্ত্ব অসমৰ ক্ষেত্রত কিমান প্রযোজ্য হ'ব বুলি ভাবে? কথাখিনি কৈ ৰাজেনে অধ্যাপক দাসৰ ফালে চালে।

'চোৱা মই কোনো বিপ্লৱী নহয়। বিপ্লৱৰ লগত জড়িতও নহয়। বিপ্লৱৰ বিষয়ে যি জানো সেয়া কিতাপৰ মাজৰ পৰা পোৱা। গতিকে তোমালোকৰ সমস্ত সংগ্রামৰ সম্বন্ধে উপদেশ দিয়াটো মোৰ বাবে বাতুলতা বুলিহে ভাবো। তথাপিও সম্পূর্ণ ঘৰুৱা পৰিৱেশত জানিব বিচাৰিছা যেতিয়া, মোৰ দৃষ্টি ভংগীৰ পৰা দু-এষাৰ কম। যিখিনি সম্পূর্ণ ব্যক্তিগত মত। সমস্ত সংগ্রামৰ ওপৰত চে'গুৱেভাৰাৰ প্রভাৱ লক্ষনীয়। এইটো ঠিক যে চে'গুৱেভাৰাৰ পৰা সংগ্রামী সকলো কৌশল শিকিলেও কিন্তু উত্তৰ পূর্বাঞ্চল আৰু ব্রহ্মদেশৰ ম্যানমাৰত বহুদিন চলা সশস্ত্র সংগ্রামৰ পৰা তেওঁলোকেও বহু অভিজ্ঞতা অর্জন কৰিছে। বিপ্লৱী সকলৰ কার্য্যকলাপৰ পৰা অনুধাৱন হয় যে তেওঁলোকে চে'গুৱেভাৰাৰ মর্ম বুজাত ব্যর্থ হৈছে। বিশেষকৈ তেওঁৰ ৰাজনৈতিক দিশটো। অথচ ৰাজনৈতিক দিশটো বাদ দিলে চেগুৱেভাৰাৰ শিক্ষা মূল্যহীন বুলি ক'ব পাৰা। মোৰ সকলো কথা তাত্ত্বিক, তাত বাস্তৱৰ আচোৰ নাই। মোৰ ধাৰণা সকলো কৌশল বা পন্থা এক বিশেষ ৰাজনৈতিক চিন্তাধাৰাৰ পৰা উদ্ভৱ হয়। সকলো চিন্তাধাৰা কিমান বাস্তৱধর্মী তাৰ ওপৰতেই নির্ভৰ কৰে সফলতা বিফলতা। আৰু এটা কথা, বহু ক্ষেত্রত সংগ্রামীয়ে নিজৰ সুবিধামতে চে'গুৱেভাৰা, মার্ক্স, লেলিন বা গান্ধীৰ আদর্শ ব্যৱহাৰ কৰে। ধৰি লোৱা চে'ৰ গেৰিলা যুদ্ধৰ লগত তেখেতৰ ৰাজনৈতিক আদর্শ পৃথককৈ চাব নোৱাৰি। মই আজি বৰ কথা কৈ'ছো নিশ্চয়।

জানা, কেতিয়াবা নিজে বুজা বা চিন্তা কৰা কথাবোৰ কৰব বৰ মন যায়। আহা এতিয়া ভাত খাই লোৱা।' কথাখিনি কৈ অধ্যাপক ঠিয় হ'ল। মই তেখেতৰ পিচে পিচে পাকঘৰৰ পিনে খোজ দিলো। এখন টেবুলত সুন্দৰভাৱে কাহীত সাধাৰণ অথচ খুব পৰি পাটিকৈ ভাত বাঢ়ি দিছে। চাহ দিয়া মহিলা গৰাকী ওচৰতে থিয় দি আছে। 'খোৱা। ৰাতিটো, বিশেষ একো নাই। সুদা ভাত কেইটাকে খোৱা।' মহিলাগৰাকীয়ে কলে।' 'হব বাইদেউ। আপোনালোকক ৰাতিখন বহু কষ্ট দিলো। কেতিয়াবা উপায়ো নাথাকে। সেয়ে বাহিৰৰ পৰা লাইটৰ পোহৰ দেখি সোমাই আহিলো।' ৰাজেনে কলে।

"প্ৰথমে তুমি সোমাই অহাত মোৰ বৰ ভয় লাগিছিল। দিনকাল বেয়াটো। বহু ঠাইত ডকাইতি, বহু কিবা কিবি সংগঠনৰ নামত ঘটি থকাটো জানা নিশ্চয়? তোমালোকে বেয়া পালেও কম সেইবিলাক কাৰ্যই তোমালোকৰ সংগঠনৰ দুৰ্বলতা উদঙাই দিছে। নহয় জানো?' অধ্যাপক দাসৰ কথাত ৰাজেনে নিশ্চুপ হৈ ৰ'ল। সি মনতে কথাটো আংশিক সত্য বুলি মানি ললে। বহুতে সংগঠনৰ নামত জোৰ জুলুম কৰি টকা আদায় কৰাৰ কথা সি জানে। এটা সময়ত সেই মানুহখিনি সংগঠনৰ সক্ৰিয় সদস্য আছিল। সক্ৰিয় সদস্যৰ মাজত কিয় বিভ্ৰান্তি?" ৰাজেনে নিজকে সুধি চালে।

'ভাত খোৱা। তুমি কিবা চিন্তা কৰা যেন লাগে। মই অলপ বেচি কৰিছো নেকি? আমাৰটো বক্তৃতা দিয়া পেচা।' বিনয়ৰ সুৰত অধ্যাপকে কলে।

'নাই চাৰ, বেয়া পোৱা নাই। আপোনাৰ কথা শুনি ভালহে লাগিছে। কিছুমান কথা কিছুমানৰ লগত আলোচনা কৰিলে খুব ভাল লাগে। নিজক শুধোৰাই লোৱাৰ সুযোগ পোৱা যায় এইটো। ঠিক আমাৰ সংগঠনৰ দুৰ্বলতা নিশ্চয় আছে। আপোনালোকৰ দৰে মানুহৰ জৰিয়তে সেইবোৰ শুধৰাব পাৰিম।'

তুমি ভাল কথা কৈছা দেই। আমাৰ নিচিনা নিমাখিত প্ৰাণী এই বিলাকত জড়িত হ'লে ৰাষ্ট্ৰযন্ত্ৰৰ হাতত ধাৰাশায়ী হ'ব লাগিব।' হাঁহি হাঁহি ক'লে।

খাটখনৰ পৰা সি পুনঃ ঠিয় হ'ল বাহিৰৰ লাইটৰ পোহৰ আগতকৈ বেছি হৈছে। সেই পোহৰত জগদীশে ৰাজেনৰ মুখ নিৰিক্ষণ কৰিবৰ চেষ্টা কৰিলে। কিন্তু কোনো বিশেষ প্ৰতিক্ৰিয়া লক্ষ্য কৰিব নোৱাৰিলে। ৰাজেনে চিগাৰেট এটা জ্বলাই দুটামান হোপা মাৰি জগদীশৰ ওচৰত বহি পৰিল।

"চাৰ আৰু মই বহি আছো। কিছু সময়ৰ পাচত তামোলৰ বটা এখন লৈ এজনী বয়সীয়াল তিৰোতা আমাৰ লগত বহিল। তিৰোতাজনী বিধবা। মুখমণ্ডলত বিষাদৰ চিন।

'এইজনী মোৰ বাইদেউ। যোৱাকালি আহিছে। ঘৰত সদায় চিন্তা কৰি থাকে। যোৱা বছৰ পুতেক জন সন্ত্ৰাসবাদীৰ হাতত নিহত হৈছে। বৰ মৰ্মান্তিক ঘটনা।' চাৰে কথাখিনি কোৱাৰ পাচত মোৰ ফালে কিছু সন্দেহৰ দৃষ্টিৰে চোৱা যেন অনুমান হ'ল। তিৰোতা গৰাকীয়ে এটা দীঘলীয়া নিশ্বাস ত্যাগ কৰিলে।

'আৰু কি জানা, তুমি ঘৰত সোমোৱাৰ সময়ত বাইদেৱে বৰ ভয় খাইছিল, জানোচা কিবা অঘটন ঘটে।' চাৰে কলে।

'বাৰু চাব, কেনেকুৱা ঘটনা ঘটিল যিটোৰ ফলত তেখেতৰ লজ্জাজনক হত্যা কৰা হ'ল।' বাজেনে সুধিলে কৌতুহল ভাবে। 'মোৰ ভাগিন খুব ভাল ল'ৰা বুলি মই নকওঁ। সি এটা উৎপতিয়া বুলিহে কব পাৰি। কিন্তু সমাজ বিৰোধী আখ্যা দি তাক হত্যা কৰা কথাটো মই কোনো পধ্যে মানি লব নোৱাৰো। জানিব পাৰিছো সি বোলে দুই চাৰিজনৰ পৰা সংগঠনৰ নাম কৈ অলপ টকা পইচা আদায় কৰিছিল। কিন্তু বেচি টকাৰ লেনদেন নহয়। তাক কলৈ নিলে কি কৰিলে আজিও আমি কোনো খবৰ পোৱা নাই। শুনিব পাৰিছো তাক শাস্তি প্ৰদান কৰি হত্যা কৰা হ'ল।" চাবে কথাখিনি কোৱাৰ পিছত মহিলা গৰাকীয়ে হুক-হুকাই কান্দি দিলে। 'মই নিনিবলৈ ল'ৰা কেইজনক কিমান কাবৌ কাকুতি কৰিলো কিন্তু তেওঁলোকে নুশুনিলে। দুটামান কথা সোধাৰ পাচত পঠাইদিম বুলিকৈ নবেণক লৈ গ'ল। আজি পৰ্য্যন্ত সি ঘূৰি নাহিল। প্ৰত্যেক ৰাতি কিবা এটা শব্দ হ'লে মই সাৰ পাই উঠো আৰু নবেণৰ বাবে উদবাউল হৈ উঠো। জানা বোপা মোৰ এই প্ৰতীক্ষা এটা অন্তহীন যন্ত্ৰণাত পৰিণত হৈছে।' কথাখিনি কৈ তিৰোতাগৰাকীয়ে আঁচলেৰে চকুপানী মচি সংযত হবলৈ চেষ্টা কৰিলে।

"বোপা তুমি বেয়া নাপাবা। নিজৰ ল'ৰাতো। পাহৰিব নোৱাৰো। সেয়ে মাজে মাজে আবেগিক হৈ পৰো। আমি নজনাত সি কিবা গুৰুতৰ ৰাজদ্ৰোহী অপৰাধ কৰিব পাৰে, যাৰ কাৰণে মৃত্যুদণ্ডৰ দৰে কঠিন সিদ্ধান্ত তাৰ ওপৰত লব লগা হ'ল। ৰাতিও বহু হ'ল। তোমাৰ বিচনা সৌ ৰুমত কৰি দিছো। শুই থাকা। ৰাতি যি কোনো সময়ত দুৱাৰ খুলি গুচি যাবা। মই এতিয়া শোওঁ।' কথাখিনি কৈ মহিলা গৰাকীয়ে আন এটা ৰুমত প্ৰবেশ কৰিলে।

'তুমি একো নাভাবিবা। এতিয়া শোৱা।' কথাখিনি কৈ চাৰে ৰুমত সোমাল।

ৰ'জেনে কোনো উত্তৰ নিদি নিৰৱে ৰুমত সোমাল। এখন বিচনা। সুন্দৰ পৰিপাটিকৈ সজোৱা। টেবুলখনৰ ওপৰত এটি পানীৰ গিলাচ, ওচৰতে এখন ফটো। লাহেকৈ দুৱাৰখন বন্ধ কৰি দিলে ৰাজেনে। তাৰ বৰ পিয়াহ লগা যেন লাগিল। টেবুলৰ পৰা পানীৰ গিলাচটো লৈ সি ধক্ ধক্‌কৈ পানীখিনি গলত ঢালি দিলে। টেবুলৰ পৰা সি লাহেকৈ ফটোখন তুলিলৈ নিৰীক্ষণ কৰিলে। ৰাজেনৰ মনত বিদ্যুত প্ৰৱাহ হোৱা যেন লাগিল, ফটোখনৰ পৰা নবেণে যেন আঙুলি তুলি তাক কিছুমান প্ৰশ্ন কৰিছে। শিক্ষকৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি বিমৰ্ষ আৰু ভয়ত সম্পূৰ্ণ ভাগি পৰা পাঠশালাৰ সৰু ছাত্ৰৰ দৰে নিজকে তাৰ ভাব হ'ল।

'জানা জগদীশ, এই অপ্ৰত্যাশিত ঘটনাটি মোৰ কাৰণে হৃদয় বিদাৰক আছিল। মোৰ মনৰ ভিতৰত এটা প্ৰচণ্ড ধুমুহাৰ সৃষ্টি হ'ল। যি ধুমুহা মনৰ পৰা ফাটি ওলালে এনে এটা পৰিবেশ সৃষ্টি হ'ব। যিটো অকল্পনীয়। অথচ মই চাটি ফুটি মৰা স্বত্বেও মনৰ প্ৰবল প্ৰতি-ক্ৰিয়াটো বাধা দিবৰ চেষ্টা কৰিছো।' কথাখিনি কৈ ৰ'জেনে চিগাৰেটত খুব জোৰেৰে হোপা মাৰিলে। ধোঁৱা খিনি মুখৰপৰা উলিয়াই দি সি নিজৰ মুখখনত দুয়োখন হাতেৰে হেচি ধৰিলে। জগদীশে নিৰ্বাক হৈ ৰাজেনৰ মনৰ

প্ৰতিক্ৰিয়া লক্ষ্য কৰিলে। সি সমগ্ৰ ঘটনাটিৰ একো আলু তালু ধৰিব নোৱাৰিলে। মাত্ৰ আন্ধাৰৰ মাজেৰে ৰাজেনৰ মুখলৈ অবাক দৃষ্টিৰে চাই থাকিল।

'দাদা, মই কথাটো ধৰিব নোৱাৰিলো। এইখিনি মাথো উপলব্ধি কৰিব পাৰিছো ভদ্ৰ-মহিলাৰ হৃদয় বিদাৰক শোকৰ লগত আপুনি জড়িত। যিটোৱে আপোনাৰ মনৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।" জগদীশে ক'লে। "আচলতে নৰেণ নামৰ লৰাজন কেম্পলৈ অনা হৈছিল। তাৰ বিৰুদ্ধে এনে এখন প্ৰতিবেদন দাখিল কৰা হৈছিল যিটোৰ ওপৰত ভিত্তি কৰি, নৰেণক মৃত্যুদণ্ড দিয়া হয়। সেই কাম সম্পন্ন কৰিছিলো মই। পিচত অৱশ্যে সেই তথ্য ভুল আছিল বুলি আমি জানিব পাৰো। কিন্তু ইয়াৰটো শুধৰণী নাই। নৰেণৰ হত্যা এটা ব্যক্তিগত স্বাৰ্থ পূৰণৰ ফলশ্ৰুতি মাত্ৰ। সুদীৰ্ঘ কঠিন পথ পৰিক্ৰমাত এনে দুই চাৰিটা ভুল ভ্ৰান্তি হোৱাটো স্বাভাৱিক। হলেও ইয়াত কিন্তু সংগঠনৰ শৃংখলা আৰু আদৰ্শৰ স্বৰূপ প্ৰকাশ পায়। ফলত জনভিত্তি দুৰ্ব্বল হ'ব পাৰে। এনেকুৱা ভুলভ্ৰান্তি যাতে পুনৰ নঘটে তাৰ বাবে আমি সকলো সচেতন হোৱা উচিত।' ৰাজেনে কথাখিনি কৈ পুনৰ থমকি ৰ'ল। ●

বুদ্ধিজীৱীসকলৰ অন্যতম প্ৰধান কাম বৌদ্ধিক বিশ্লেষণ। কোনো মত বা অৱস্থানৰ সপক্ষে বা বিপক্ষে বিস্তাৰিত আৰু যুক্তিনিষ্ঠ বিশ্লেষণেই তেওঁলোকৰ বৃত্তিগত সঁহাৰি। এই কামত গ্লেমাৰ নাই, নেতাসকলৰ সুবিধাও নাহিলে এই বিশ্লেষণৰ বাবে তেওঁলোকে নানা ধৰণৰ খুন্দাহে খাবলগীয়া হয়। সেয়ে প্ৰকৃত বুদ্ধিজীৱী সকলৰ আদৰ এই সমাজত নাই।

ড° হীৰেণ গোহাঁই

মানুহৰ ভৱিষ্যতৰ বাবে মই অতি আশাবাদী। মানুহ বাচি থাকিব। যদি মানুহৰ চাৰিও ফালৰ পৰিৱেশ দূষিত কৰা নহয়, তেনেহ'লে মানুহ বাচি থাকিব। এইটো হ'ল মানুহৰ সংস্কৃতি।

ইউ আৰ অনন্ত মূৰ্তি



... College Library

# পৰিক্ৰমা


স্বপনজ্যোতি কলিতা
স্নাতক প্ৰথম বৰ্ষ


ৰ'দৰ তেজ লাহে লাহে দুৰ্বল হ'বলৈ ধৰাৰ উমান শৰীৰত পোৱা উত্তাপৰ পৰা অনুমান কৰিব পাৰি। সাধাৰণতে এইখিনি সময়ত অমৰে টিউচনটো শেষ কৰি ঘৰমুৱা হয়। আজিও ব্যতিক্ৰম হোৱা নাই। এতিয়া বাটত মানুহৰ সমাগম বৃদ্ধি পাব ধৰিছে। কিছুমানে নিত্য-নৈমিত্তিক বস্তু-বাহানি কিনা, কিছুমানে এনেয়ে বজাৰত ফুৰা, হয়তো কিছুমানৰ সময় কটোৱাৰ বাবে। এই সময়তে অমৰে কিছুমান মানুহ সদায় লগ পায়। কিছুমানক সি ভালদৰে চিনি পায় কিছুমানৰ লগত মৌখিক চিনাকী আৰু কিছুমানক চিনি পালেও মাত-বোল নাই। সৰু ঠাই। গতিকে সদায় দেখা পৰিচিত মানুহখিনি। সাধাৰণতে সি সন্ধিয়া ৭ টা বজাত ঘৰ পায়। তাৰ বেমাৰী মাক জনী ঘৰখনত অকলে থাকে। আচলতে ঘৰ বুলিব নোৱাৰি। সৰু জুপুৰী বুলিব পাৰি। সি ঘৰলৈ নহালৈকে মাকে বাহিৰত বৈ থাকে। আজি কালি বেমাৰটো বেচি হোৱাত বেচি সময় বাহিৰত থাকিব নোৱাৰে, বিচনাখনতে থাকে বেচি ভাগ সময়। তথাপি দুৰ্বল শৰীৰেৰে চাহ-পানী খিনি তৈয়াৰ কৰে, চাকিটো জ্বলায়। অমৰে সেইবোৰ কৰিবলৈ মাকক বাৰে বাৰে মানা কৰা সত্বেও নুশুনে। তাৰ কেতিয়াবা খং উঠে মাকে হকা-বাধা নামানিলে। চাৰিটামান টিউছন। সেই টকাখিনিৰ ওপৰত দুজনীয়া পৰিয়ালটো কেনধেপ-কেলধেপ কৰি চলি আছে।

অমৰে বেগাবেগিকৈ আহি চাৰি আলি চ'কটোত অলপ সময় ৰ'ল। যতীনৰ সৰু গুমটিৰ পাণ দোকানত এখন তামোল খাবলৈ বুলি দোকানৰ ওচৰত থিয় দিলে। "যতীন এখন তামোল দিয়া। ভালকৈ দিবা। অলপ ডাঙৰকৈ দিবা "অমৰে দোকানীজনৰ ওচৰত থিয় হৈ কথাখিনি ক'লে। "অমৰ দা টিউচনৰ পৰা আহিলা ;" কথাখিনি কৈ যতীনে তামোলৰ বাতিটোৰ পৰা ভাল তামোল এটা লাৰি-চাৰি চাবলৈ ধৰিলে। অমৰে উত্তৰ নিদি এনেয়ে যতীনৰ মুখ আৰু গুমটিখন নীৰিক্ষণ কৰিলে। সৰুদোকান। বেচি বস্তু নাই। আগত কেইটামান বয়ামত চকলেট দুটামান প্লাষ্টিকৰ সৰু ল'ৰাৰ বল ওলোমাই থোৱা আছে। পিছত কিছুমান পাউদাৰ, স্নো, সেন্দুৰ আদি সজোৱা। দুই হাজাৰ টকাৰে মাল হ'ব পাৰে কিজানি। এইখনেৰে সি চাৰিজনীয়া পৰিয়াল চলাইছে আৰু কিবা কৰি। ল'ৰাজন শান্ত। ব্যৱসায়ী বুদ্ধি আছে। মানুহৰ লগত মিলি থাকিব পাৰে। কেতিয়াবা গ'ধূলি ঘৰলৈ গ'লে অমৰে বহু কেইজন ল'ৰা দোকানৰ আগত জমা হোৱা দেখে। চিঞৰ বাখৰ কৰি কথা পাতি থকা সি শুনে। সেই সময়ত অমৰে আৰু যতীনৰ দোকানত নোসোমায়। সিহঁতৰ ওপৰত পেটে পেটে তাৰ খং উঠে। ইতিমধ্যে যতীনে তামোলখন সুন্দৰ-

ভাবে এখনি প্লেটটত অমৰৰ পিনে আগবঢ়াই দিলে। অমৰে পকেটত হাত ভৰাই পইচা এটা বিচাৰিলে। এনেতে কাৰোবাৰ এখনি সৰু হাতে তাৰ হাত স্পৰ্শ কৰাত সি চক খাই উঠাৰ দৰে চালে। এজন দহ-বাৰ বছৰীয়া ল'ৰাই ঘুৰি চকু দুটা ডাঙৰকৈ মেলি ভিক্ষাৰ বাবে হাত পাতিছে। অমৰৰ ভীষণ খং উঠিল। ল'ৰাজনৰ পিনে খঙৰ দৃষ্টিৰে চালে। কিন্তু ল'ৰাজনৰ মুখমণ্ডলত কোনো ভাবান্তৰ নঘটিল। সি হাত খন আগুৱাই দিলে আৰু তাৰ মাজতে তাৰ বক্তব্য ব্যক্ত কৰিলে। ধমক দিবলৈ অমৰৰ ইচ্ছা হৈছিল। কিন্তু সি বৈ গ'ল। ল'ৰাজনৰ মুখৰ পিনে চাই সি সুধিলে, "এই তোৰ ঘৰত কোন আছে। বাপে-মায়ে আছেনে নাই ? অমৰে সুধিলে।

"কি হৈছে অমৰ দা। ওঁ হঁ। সদায় ভিক্ষা কৰে। মাক দুদিনমান তাৰ লগত অহা নাই।" কথাখিনি কৈ যতীনে গুমটিৰ ভিতৰৰ পৰা মুখখন অলপ উলিয়াই দিলে।

"ঐ মায়েৰৰ কি হৈছে।" যতীনে ল'ৰা-জনক প্ৰশ্ন কৰিলে।

'জ্বৰ। ঘৰত আছে। তিনি দিনমান হ'ল।' ল'ৰাজনে ক্ষীণ মাতেৰে ক'লে।

অমৰে পকেটখন লাৰি-চাৰি চাই পাঁচ পইচা এটা তাৰ হাতত দিলে। পইচাটো চাই ল'ৰাজন আঁতৰ হ'ল। তামোলখন মুখত ভৰাই অমৰে ঘৰমুৱা পৰিক্ৰমা পুনৰ আৰম্ভ কৰিলে। তেতিয়া ৰ'দ আৰু নাই। ডিচেম্বৰ মাহতো শীতৰ প্ৰকোপ সিমান বঢ়া নাই। অমৰে শীতৰ প্ৰভাৱ নবঢ়াত ভাল পাইছে। যোৱা বেলি সি এটা চোৱেটাৰ কিনিছিল। কম দামী। ৰং উঠি গৈ নতুন ৰূপ লৈছে। এইবেলি চোলাৰ ওপৰত পিন্ধিব নোৱাৰিব। তথাপি আৰু এটা কিনিব নোৱাৰা পৰ্য্যন্ত সেইটো ব্যৱহাৰ কৰিব লাগিব। চোলাৰ তলত পিন্ধিব পৰা যাব। অমৰে মনে মনে ভাবিলে। কথাটো ভবাৰ লগে লগে তামোলখনত বেচ পাগ উঠিল। অমৰৰ গাটো গৰম হোৱা যেন লাগিল। সি আগবাঢ়ি থাকিল। এনেতে বিপৰীত মুখৰ পৰা অহা এখনি মটৰ চাইকেল তাৰ গাৰ কাষেদি তীব্ৰ বেগেৰে পাৰ হ'ল। চিক্‌চিকিয়া ৰঙা ৰঙৰ। আৰোহীজনক অমৰে চিনি পালে। মনজিৎ। মনজিৎ বৰুৱা ছাত্ৰ সংগঠনৰ প্ৰাক্তন নেতা। অমৰৰ মনত পৰিল মনজিৎৰ কথা। সিটো অস্তিত্ব ৰক্ষা আন্দোলনৰ সময়ত আছিল এজন প্ৰখ্যাত ছাত্ৰ নেতা। এই অঞ্চলটিত হোৱা বিৰাট বিৰাট গণ-সমাবেশত সিটো কিমান দীঘলীয়া বক্তৃতা দিছিল। অঞ্চলৰ প্ৰায় গণ্য-মান্য মানুহখিনি তাৰ কথা মতেই উঠা-বহা কৰাৰ দৰে আছিল সেই সময়ত। অমৰ সেই সময়ত হাইস্কুলৰ সপ্তম মানৰ ছাত্ৰ। সি কোনো দিনেই মনজিৎৰ বক্তৃতা ভাল পোৱা নাছিল। বহুতৰ মুখত মনজিতে আন্দোলনৰ নামত টকা-পইচা খোৱা কথা আৰু নানা নাৰী ঘটিত কেলেংকাৰী শুনিব পাইছিল। গতিকে তাৰ বক্তৃতাৰ মাজত কোনো ধৰণৰ সৎ উদ্দেশ আৰু আন্তৰিকতা নাই বুলি ভাবিছিল। তাৰ বক্তৃতা এক ধৰণৰ স্বাৰ্থ পূৰণৰ কৌশল বুলিয়ে সি ভাবিছিল। আজিও অমৰ মনজিতৰ লগত সহজ হ'ব পৰা নাই। মাজতে আন্দোলনৰ পথ এৰি চৰকাৰৰ লগত হাত মিলাই মনজিতে পুলিচ এচ আই চাকৰিত সোমায়। মানুহৰ মনত কোনো প্ৰতিক্ৰিয়া নহ'ল। সকলোৱে

ভাবি ললে সমাজৰ এটা সঁচৰাচৰ ঘটি থকা ঘটনা বুলি। বহু কেইজনে মনজিতৰ পথ গ্ৰহণ কৰি নিজৰ নিৰাপত্তাৰ কথা চিন্তা কৰি ল'লে। এইবিলাক কথা চিন্তা কৰি একো লাভ নাই। অমৰে মনতে ভাবিলে সমাজখনৰ সি কোন কুটা। সি বা কি কৰিব পাৰে ? বি. এ. পাচ কৰাৰ আজি পাঁচ বছৰ হ'ল নিজৰ কাৰণে সাধাৰণ এটা চাকৰি যোগাৰ কৰিব নোৱাৰিলে। কিমান চেষ্টা কৰিলে। কিমানবাৰ দিচ্‌পুৰলৈ তাঁত-বাটি কাঢ়িলে, কেইবাৰ মন্ত্ৰীক লগ ধৰিলে তাৰ হিচাব নাই। কথাবোৰ চিন্তা কৰাত ভাৰাক্ৰান্ত হোৱা যেন অমৰৰ অনুভৱ হ'ল। ভিতৰি ভিতৰি তাৰ খং উঠিল। খং কৰিব কাৰ ওপৰত ? লাভ নাই এইবোৰ ভাবি। সমাজখনক কিছুমান অচিন শক্তিয়ে আজি সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰি আছে। কিছুমান মানুহৰ মনত যেন এনে এটা বুজা-পৰা গঢ়ি উঠিছে, সেইটো অনিময়ৰ মাজতো নিয়ম বুলি মানি লৈ আজিৰ যুগৰ ব্যৱস্থা হিচাবে গঢ় লৈছে। দেখা-দেখি এক শ্ৰেণীৰ মানুহে অনিয়ম কৰি আছে, অথচ সকলো যেন অসহায় দৰ্শক। কথাবোৰ চিন্তা কৰাত তাৰ মুৰটো গৰম হোৱা যেন অনুভৱ হ'ল। সি তাৰ মূৰত হাতখন বুলাই চালে। নাই ঠিক আছে। গৰম হোৱা নাই। আজি-কালি সি অবাবত কিবাকিবি চিন্তা কৰি সময় নষ্ট কৰা স্বভাৱ হৈছে। সি কি কৰিব পাৰে। তাৰ মৌন প্ৰতিবাদ মূল্যহীন। এইবাৰ সি খোজবোৰ দীঘল দীঘলকৈ দিব ধৰিলে। অলপ দূৰত সি শান্তি বৰ্মনক দেখিলে। নাতি-য়েকৰ লগত। তেতিয়াও বৰ্মনে ঘৰৰ সন্মুখত থকা ফুলৰ বাগানখনত কাম কৰি আছে। "গছ থাকিলে মানুহ জীয়াই থাকিব।" ডাঙৰ আখৰেৰে লিখা চাইনবোৰ্ডখন অমৰৰ চকুত পৰিল। গছৰ লগত মানুহৰ মনৰ সংযোগ আছে। মানুহৰ স্বাৰ্থপৰতা, বিশ্বাসঘাটকতা, দুৰ্ব্যৱহাৰ, আদিৰ পৰা গছ ফুলৰ সুগন্ধি বতাহে মুক্তি দিব পাৰে বুলি অমৰে ক'ৰবাত পঢ়া কথাটি মনত পেলাবলৈ যত্ন কৰিলে। সেয়ে অৱসৰৰ পিচত গছ ফুলক পৰিচৰ্য্যা কৰি শান্তিত জীৱন নিৰ্বাহ কৰিব বিচাৰিছে। হয়তো তেওঁ ডাইবেটিক বেমাৰী। গ'ধূলি সাধাৰণ পৰিশ্ৰম খিনি কৰি চুগাৰ নিয়ন্ত্ৰণ কৰাৰ কথা চিন্তা কৰিছে। অমৰে বৰ্মনৰ ঘৰৰ সন্মুখত এনেয়ে থিয় হ'ল। এনেতে কাঠৰ টুকুৰা বোজাই ট্ৰাক দুখন ৰাস্তাটোৰ মাজেদি দৈত্যৰ দৰে পাৰ হৈ যোৱা সি দেখিলে। পিচ পিনৰ পৰা টুকুৰাবোৰ তিতি থকা সি অনুমান কৰিব পাৰিলে। তাৰ পিচত দুখন মটৰ চাইকেল বিৰাট শব্দ কৰি পাৰ হৈ গ'ল। দুয়োটা ঘটনাৰ মাজত অমৰে এটা কিবা যোগসূত্ৰ থকা যেন ভাব হ'ল। বৰ্মনৰ লগত তাৰ পৰিচয় আছে। বৰ্মনৰ শৰীৰটো সি দূৰৰপৰা নীৰিক্ষণ কৰিবৰ যত্ন কৰিলে। অৱসৰ পোৱা পাঁচ বছৰ হোৱা সত্বেও বৰ্মনৰ স্বাস্থ্য ভালেয়েই বুলিব লাগিব। মানুহে শৈশৱৰ পৰা বাৰ্ধক্য লৈ এটা বিৰাট দীঘলীয়া পথ অতিক্ৰম কৰিব লাগে। এই পথ পৰিক্ৰমা কিমান দীঘল। কিমান জটিল। এই সমগ্ৰ কালত মানুহে অহ-ৰহ ব্যস্ত থাকে মহা সংগ্ৰামত। এই প্ৰক্ৰিয়াত মানুহৰ এশ ভাগৰ এভাগ মাত্ৰ আনন্দ বাকী খিনি নিৰানন্দৰে ভৰপুৰ। তাৰতো জীৱন পৰি-ক্ৰমাৰ পথ অতিক্ৰমিবলৈ বেচি অংশ বাকী আছে অথচ এই কালছোৱাতে সি কিমান তিক্ততা পাইছে তাৰ লেখ-জোখ নাই। পুৱা বিচনাৰ পৰা মাটিত ভৰি দিয়াৰ লগে লগে আৰম্ভ হয়

বিৰামবিহীন জীয়াই থকাৰ সংগ্ৰাম জয়ৰ ভাগত শূণ্য। কিন্তু বৰ্মনৰ ক্ষেত্ৰত হয়তো জীৱন পৰিক্ৰমাত জয়ৰ ভাগে বেচি। ল'ৰা-ছোৱালী, ঘৰ-সংসাৰ ঠিকমতে প্ৰতিষ্ঠিত। চাকৰি, টকা, সম্পত্তি, সামাজিক প্ৰতিপত্তিও সকলো অৰ্জন কৰিছে। সেই প্ৰতিপত্তিৰ ওপৰত আশ্ৰয়লৈ ল'ৰা-ছোৱালীক গঢ় দিছে। সেয়ে আজি তেওঁৰ ল'ৰা-ছোৱালী সকলো দিশত প্ৰতিষ্ঠিত। কথা-বোৰ চিন্তা কৰি অমৰে লাহে লাহে খোজ দিবলৈ ধৰিলে। এইবোৰ অবাস্তৱ কথা ভাবি তাৰ লাভ কি? তাৰ চকুত ভাহি উঠিল যতীনৰ দোকানৰ ওচৰত লগ পোৱা ভিক্ষাৰী ল'ৰাজনৰ হাতখন আৰু চকু দুটা। ইমান্ কোমল বয়সতে তাৰ হাতৰ ছাল শুকান হৈছে। হয়তো প্ৰ'-টিনৰ অভাৱ। সিহঁতৰ বাবে প্ৰ'টিন এটা সাঁথৰ।

ঘৰৰ বিচনাত পৰি থকা বেমাৰী মাক-জনীৰ কথা মনত পৰাৰ লগে লগে অমৰৰ খোজৰ বেগ বাঢ়িল। আন্ধাৰ হৈ আহিছে। ৰাষ্টাত অহা-যোৱা কৰা মানুহৰ মুখ প্ৰায় চিনিব নোৱাৰা হৈছে। ৰাতি হোৱাৰ আগে আগে ঘৰ পাবলৈ তাৰ ইচ্ছা হ'ল। নহলে মাকৰ দিগ্‌দাৰী হ'ব পাৰে। পিছ্‌পিনৰ পৰা অহা দুজন মানুহে পৰস্পৰৰ মাজত হোৱা কথোপকথন সি শুনিব পালে। চাউল আৰু কেৰাচিনৰ দামৰ কথা। কথাবোৰ শুনিবলৈ তাৰ কৌতুহল জন্মিল। তাৰো সেই একেই সমস্যা।

'এই মাহত টিউচনৰ টকা পালে চাউল, কেৰাচিন আৰু মাৰ ঔষধখিনি যোগাৰ কৰিব লাগিব অমৰে মনতে ভাবিলে। মানুহ দুজনে কথা পাতি আহি আহি তাৰ ওচৰ চাপিল। তেওঁলোকৰ কথাবোৰ স্পষ্টভাৱে অমৰে শুনিব পালে।

"আজি মোৰ চাউল, কেৰাচিন কিনোতে টকাখিনি শেষ। হাতত এটা ফুটা কড়িও নাই। ল'ৰাজনে বহী আৰু চিয়াহী কিনিব কৈছিল। নহল। কিবা এটা কৰ লাগিব তাক। সি বৰ খং কৰিব। উপায় নাই। কি কৰিম" প্ৰথম মানুহ জনে কলে।

"মোৰতো আৰু বেয়া অৱস্থা। যোৱা সপ্তাহৰ পৰা মানুহজনীৰ মেলেৰিয়া। হস্পি-তালত ডাক্তৰক দেখুৱাইছো। ঔষধ লিখি দিছে। কেইটামান বড়ি আৰু কিবা এটা বটল কিনোতে টকাখিনি শেষ। চাউল কিনিব নোৱাৰিলো। আটা আধাকিলো কিনিছো। কিবা কৰি খাব লাগিব। জিউটো বচাই ৰখাতো টান হৈ পৰিছে" দ্বিতীয় জনে কলে।

কথা পাতি পাতি দুয়োজনে অমৰৰ কাষেদি আগ বাঢ়িব ধৰিলে। আন্ধাৰৰ মাজতে অমৰে দুয়োজনৰ মুখমণ্ডল দুটা চাবলৈ কৌতু-হল। সি দৃষ্টি দিলে। কিন্তু অনুমানিক বয়স ঠাৱৰ কৰাৰ বাহিৰে আন্ধাৰত দুয়োজনৰ মুখৰ আকৃতি ধৰিব নোৱাৰিলে। জীৱন সংগ্ৰামত ক্ষত-বিক্ষত হোৱা দুজন মধ্যবয়সী মানুহ বুলি সি মনতে এখনি চিত্ৰ আঁকি ললে।

"ধেৎ নালাগে। আজি নাখালে একো নহয়। আমাৰো অভ্যাস আছে। চিন্তা কৰিব নালাগে"। কথাখিনি কৈ প্ৰথম মানুহজনে দ্বিতীয়জনক পিঠিত লাবি দি খেলি নিবলৈ যত্ন কৰিলে। দ্বিতীয়জনে এইবাৰ প্ৰথমজনক জোৰ কৰি টানি ধৰিলে। আন্ধাৰত বেগটোৰ পৰা কিছু চাউল দি দিলে।

সমগ্র ঘটনাটি অমৰে পৰম বিস্ময়েৰে লক্ষ্য কৰিলে। সি যেন কিবা এটা ব্যতিক্ৰম দৃশ্য দেখিব পালে। দুয়োজন মানুহৰ পৰিচয় লবলৈ তাৰ বিৰাট হেপাহ জন্মিল। কিন্তু সি নোৱাৰিলে। পৰিচয় লবলৈ যোৱাতো যেন মানুহৰ দুজনক হেয় প্ৰতিপন্ন কৰা তেনেকুৱা এটা ধাৰণা অমৰৰ মনত খুন্দা মাৰি ধৰিলে। যতীনৰ দোকানৰ ওচৰত ভিক্ষাৰী সৰু লৰাটোৰে হাত খনৰ স্পৰ্শত সৃষ্টি হোৱা ঘৃণাৰ ভাবটো তাৰ মনত পৰিল। লগে লগে বিৰাট দুৰ্বলতা এটা সি অনুভৱ কৰিব ধৰিলে। মানুহ দুজনৰ একে শাৰীত খোজ কাঢ়িবলৈ তাৰ সংকোচ লাগিল। অমৰে খোজবোৰ শিথিল কৰি আনি দুয়োকে আগুৱাই যাবলৈ দিলে। ভিক্ষাৰী লৰাটোক সি দিয়া পইচাটো আৰু মানুহজনে দিয়া চাউল খিনিৰ মানত কিমান প্ৰভেদ। উত্তৰ উলিয়াবলৈ সি মনতে যত্ন কৰিব ধৰিলে। তাৰ পইচাটো কিমান মূল্যহীন ভাৰ তুলনাত তাৰ দানত কোনো আন্তৰিকতা নাই। সেইটো এটা মানুহৰ যান্ত্ৰিক দয়া। অবাঞ্চিত আঁতৰ কৰাৰ কৌশল। সি মনতে ভাবিলে।

মানুহ দুজন কিছু দূৰ যোৱাৰ পিচত এটি সৰু ৰাষ্টাৰে সোমাই গ'ল। অমৰে তেওঁলোক যোৱাৰ পিনে একেৰাহে থিয় হৈ চাই থাকিল। তেতিয়া প্ৰায় আন্ধাৰ হৈ আহিছে। সি পুনৰ ঘৰমুৱা হ'বলৈ ধৰিলে। ঠিক এই সময়খিনিতে সি সদায় ঘৰলৈ ওভতে। অথচ বহু কথাই আজি তাৰ চিন্তাত ক্ৰিয়া কৰিছে। সি মনটো জোকাৰাৰ চেষ্টা কৰিবলৈ ধৰিলে। সি আগবাঢ়িবলৈ ধৰিলে। সি লাহেকৈ বাহৰ দুৱাৰখন ঠেলি দিয়াত ঘৰৰ ভিতৰতে পোহৰত দেখিলে। মাক তেতিয়া বিচনাত বহি তাৰ বাবে অপেক্ষা কৰিছে। দৃশ্যটো দেখি অমৰৰ মনটো পুলকিত হৈ পৰিল। ❁

"এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে এটা ফুলৰ পাপৰি মেলখোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰচণ্ড ভূমিকম্পলৈকে—সূৰ্য্যৰ পোহৰত দেখা প্ৰতিটো বস্তুৱেই চুটি গল্পৰ বিষয় বস্তু হ'ব পাৰে" ( H. E. Bates )

# প্রবন্ধ

# ব্ৰিটিছৰ আমোলত অসমীয়া বুদ্ধিজীৱিৰ ভূমিকা

নীলিম দত্ত
স্নাতক ৩য় বৰ্ষ ( কলা শাখা )

ব্ৰিটিছে উনবিংশ শতিকাৰ ২য় দশকত ছশ বছৰীয়া আহোম সামন্তবাদৰ ভেটিত আঘাত হানি নতুন সমাজৰ বাবে দুৱাৰ মুকলি কৰি দিয়ে যদিও, তাৰ আগতেই, আহোম সামন্তবাদে তাৰ আভ্যন্তৰীণ সংকটৰ কাৰণেই আত্মৰক্ষাৰ শক্তি হেৰুৱায়। এই সংকট মোৱামৰীয়া বিদ্ৰোহৰ মাজেৰেই প্ৰকাশ পায়। মানৰ অসম আক্ৰমণৰ সময়ত এই সংকট ঘণীভূত হৈ পৰে। এই সংকট কাল দূৰ কৰিবলৈ ইংৰাজৰ অসমৰ মাটিত পদাৰ্পণ হ'ল। মানক খেদাৰ চৰ্তমতে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধিমতে অসম ব্ৰিটিছৰ দখললৈ যায়। ১৮৩৮ চনত ব্ৰিটিছ চৰকাৰে, মিছা অভিযোগ আনি অসন্মানজনকভাৱে পুৰন্দৰ সিংহক ৰাজসিংহাসনৰ পৰা অপসাৰিত কৰি ছশ বছৰীয়া আহোম সামন্ত ৰাষ্ট্ৰৰ সমাধি ৰচনা কৰে। ১৮৩৮ চনৰ এপ্ৰিলত উজনি নামনিকে ধৰি অসম সম্পুৰ্ণৰূপে ব্ৰিটিছৰ দখললৈ যায়।

ব্ৰিটিছ শাসনৰ লগত অৰ্থনৈতিক শোষণ জড়িত হৈ থাকিলেও, বহিৰ্জগতৰ এক নতুন সমাজ ব্যৱস্থাৰ লগত হোৱা সংযোগে, অসমৰ প্ৰাচীন স্থবিৰ সমাজ জীৱনলৈ এক গতি আনি দিছিল। ব্ৰিটিছৰ অনিচ্ছা স্বত্বেও, নতুন শাসন ব্যৱস্থাই নতুন সমাজ ব্যৱস্থাৰ বাস্তৱ ভিত্তি লাহে লাহে ৰচনা কৰিছিল।

নতুন প্ৰশাসনীয় ব্যৱস্থাত আহোম যুগৰ ৰজা বিষয়া শ্ৰেণীৰ প্ৰয়োজন প্ৰায় শেষ হৈছিল। তাৰোপৰি নতুন প্ৰশাসনীয় নীতিৰ আও-ভাও বিষয়া শ্ৰেণীয়ে বুজিও পোৱা নাছিল।

এই নতুন বিজিত ৰাজ্য শাসন কৰিবলৈ ইংৰাজসকলে বংগদেশৰ পৰা ইংৰাজী শিক্ষাৰে শিক্ষিত আৰু ব্ৰিটিছৰ প্ৰশাসনীয় কাম কাজত অভিজ্ঞতা থকা বঙালী মধ্যবিত্ত কিছু লোকক অসমলৈ আনিলে আৰু প্ৰশাসন যন্ত্ৰৰ বিভিন্ন কামত তেওঁলোকক মকৰল কৰিলে।

ইপিনে সামন্তীয় শোষণৰ পৰা পোৱা সম্পদ, সা-সুবিধা, মান-মৰ্য্যাদা হেৰুৱাই অসমৰ পুৰণি অভিজাত শ্ৰেণীটো গভীৰ ভাৱে অসন্তুষ্ট হৈ পৰি শেষত তাৰ প্ৰতিকাৰৰ কাৰণে লাহে লাহে ব্ৰিটিছৰ ওচৰ চাপিছিল। আধুনিক ৰাষ্ট্ৰৰ কোনো ধাৰণা নাথাকিলেও অতীত অভিজ্ঞতাৰ পৰা সম্ৰান্ত শ্ৰেণীটোৱে বুজিব পাৰিছিল যে, আহোম সামন্ত ৰাষ্ট্ৰৰ দিন শেষ হৈছিল। সেয়েহে তেওঁলোকে এই উপলব্ধি কৰিছিল যে, ব্ৰিটিছেই অসমৰ ভৱিষ্যত নিয়ন্তা।

আধুনিক শিক্ষাৰ লগত পৰিচয়হীন আহোম যুগৰ আমোলা শ্ৰেণীটো আছিল ব্ৰিটিছৰ একান্ত অনুগত চাকৰিয়াল। তথাপিও পুৰণি এই সম্ৰান্ত শ্ৰেণীটোৰ ঠাইত নতুন অসমীয়া ইংৰাজী শিক্ষাৰে শিক্ষিত শ্ৰেণী এটা গঢ় দি

উলিওৱাটো সেই সময়ত শাসকসকলৰ সাম্ৰাজ্যবাদ নিগাজী কৰাৰ এক আৱশ্যকীয় ৰাজনৈতিক প্ৰয়োজন আছিল। অসমত ইংৰাজী শিক্ষাৰ প্ৰসাৰ আৰু অসমীয়া ভাষা সাহিত্যৰ প্ৰধান হোতা আছিল ডেভিড স্কট আৰু নবীন চাহাব।

১৮৩৫ চনত গুৱাহাটীত পোন প্ৰথমবাৰৰ বাবে এখন স্কুল স্থাপন কৰা হয়। তাৰ আগলৈ অসমত আধুনিক শিক্ষাৰ কোনো সুবিধা নাছিল। ১৮৪১ চনত শিৱসাগৰত দ্বিতীয়খন চৰকাৰী স্কুল স্থাপন কৰা হৈছিল। এনেদৰে স্কুল স্থাপন কৰি সৰ্বসাধাৰণ শ্ৰেণীৰ মাজত আধুনিক শিক্ষা প্ৰবৰ্তন কৰাটো, ব্ৰিটিছৰ উদ্দেশ্য নাছিল। গতিকে পুৰণি সম্পদশালী অভিজাত শ্ৰেণীটোৰ ল'ৰা-ছোৱালীয়েই প্ৰথমে সেই সুবিধা লাভ কৰিছিল। ইয়াৰ মাজৰ কিছু কিছুৱে কলিকতালৈ উচ্চ শিক্ষাৰ বাবে গৈছিল আৰু তাতেই তেওঁলোকৰ আধুনিক চিন্তা-চেতনাৰ লগত পৰিচয় হৈছিল। আধুনিক শিক্ষা, চিন্তা-চেতনাৰে পুষ্ট হৈ অসমলৈ ঘূৰি আহি, এইচাম ল'ৰাই চাকৰি, ব্যৱসায় বাণিজ্য আদিত হাত দিছিল। তেওঁলোকৰ অফুৰন্ত প্ৰাণশক্তিৰ বলতেই আধুনিক সভ্যতা, সাহিত্য সংস্কৃতিৰ সোঁত অসমলৈ প্ৰবাহিত হৈছিল।

১৮৩৬ চনত ব্ৰিটিছে অসমৰ পঢ়াশালী আৰু প্ৰশাসনীয় কামত বাংলা ভাষা প্ৰবৰ্ত্তন কৰিছিল। অসমৰ ভাষা-সাহিত্যৰ ইতিহাসত অসমীয়া ভাষাৰ এই বিপৰ্যয়ৰ বাবে তৎকালীন অসমীয়া ভাষা-সাহিত্যৰ গুৰিয়ালসকলে বঙালী আমোলা বা ব্ৰিটিছ, ইয়াৰ কোনোটোকেই জগৰীয়া কৰা নাছিল। তেওঁলোকে ব্ৰিটিছৰ বৈষম্যমূলক ভাষা নীতিৰো প্ৰতিবাদ কৰা নাছিল। তেতিয়াৰ অসমৰ শিক্ষিত শ্ৰেণীটোৰ ভিতৰত যদুৰাম ডেকাবৰুৱা (১৮০১-৬৭, হলিৰাম ঢেকিয়াল ফুকন (১৮০২-৩২), যজ্ঞৰাম খাৰঘৰীয়া ফুকন (১৮০৫-৩৮), মণিৰাম দেৱান (১৮০৬-৫৮), কাশীনাথ তামুলী ফুকন ১৮১০-৮০), দীননাথ বেজবৰুৱা (১৮১৩-৯৫), হৰকান্ত বৰুৱা (১৮১৫-১৯০৩), দুতিৰাম বৰভাণ্ডাৰ বৰুৱা (মৃত্যু-১৮৭৩), হেমধৰ বৰুৱা (মৃত্যু-১৮৭৯), আদি সকলেই প্ৰধান আছিল। তেওঁলোকৰ 'অসমীয়া ভাষাৰ উন্নতি বা প্ৰাপ্য মৰ্য্যাদাৰ প্ৰতি থকা উদাসীনতা আৰু বাংলা প্ৰীতিয়েই ব্ৰিটিছক অসমত বঙলা ভাষা প্ৰবৰ্তনত সহায় কৰিছিল।

সেই সময়ৰ শিক্ষিত আৰু অভিজাত অসমীয়াসকলৰ এই বঙলা প্ৰীতিৰ কাৰণ বিশ্লেষণ কৰিলে আমি পাওঁ যে অসমত ইংৰাজ শাসন প্ৰবৰ্ত্তন হোৱাৰ বহু পূৰ্বেই বংগত আধুনিক চিন্তাচৰ্চাৰ এক পৰিৱেশ বঙালী অভিজাত শ্ৰেণীটোৱে গঢ়ি তুলিছিল। ইপিনে সেই একেই সময়তে অসমত এক অস্থিৰ পৰিৱেশ বিৰাজ কৰিছিল। ভাষা-সাহিত্য-সংস্কৃতি সাধনাৰ পৰিৱেশো নাছিল। মান বিধ্বস্ত অসমত তেতিয়া অসমীয়া ভাষাত নতুন সাহিত্য সৃষ্টিৰ কোনো সম্ভাৱনা দেখা নগৈছিল।

সেয়েহে বাংলা ভাষা-সাহিত্যৰ যোগেদিয়েই অসমীয়া প্ৰাচীন অভিজাত সম্প্ৰদায়ৰ আধুনিক সভ্যতা সংস্কৃতি আৰু আধুনিক জগতৰ লগত পৰিচয় ঘটিছিল। এই নতুন শিক্ষিত শ্ৰেণীটো বাংলা সংবাদ পত্ৰৰ নিয়মীয়া পাঠক আছিল। ইয়াৰ ফলস্বৰূপে তেওঁলোকৰ মাজত বঙলা প্ৰীতিয়ে দকৈ শিপাইছিল। তেওঁলোকে বঙলা ভাষাৰ যোগেদিয়েই বুৰঞ্জী ৰচনা, অভিধান

প্ৰণয়ণ, সাহিত্য সৃষ্টি কৰাৰ উপৰিও কাকত সম্পাদনাও কৰিছিল।

আনন্দৰাম ঢেকিয়াল ফুকন ( ১৮২৯-৫৯ ), হেমচন্দ্ৰ বৰুৱা ( ১৮৩৫-৯৬ ), আৰু গুণাভিৰাম বৰুৱা ( ১৮৩৭-৯৪ ) এই ত্ৰিমূৰ্তিয়েই আছিল ইংৰাজী শিক্ষাৰে শিক্ষিত অসমীয়া আধুনিক শ্ৰেণীৰ অগ্ৰজ।

আনন্দৰাম ঢেকিয়াল ফুকনেই প্ৰথমে অসমীয়া ভাষাৰ হকে মাত মাতিছিল। যি সময়ত অত্যাধিক ব্ৰিটিছ আনুগত্যই অসমীয়া শিক্ষিত শ্ৰেণীক, ব্ৰিটিছৰ ভুল ভাষা নীতিৰ প্ৰতিবাদ কৰাৰ পৰা বিৰত ৰাখিছিল, সেই সময়ত আনন্দৰামে অকলশৰীয়াকৈ অসমৰ পঢ়াশালী আৰু কাছাৰীত বাংলা ভাষা প্ৰবৰ্তন কৰাত দুখ প্ৰকাশ কৰি পুনৰ অসমীয়া ভাষা প্ৰবৰ্তনৰ কাৰণে ব্ৰিটিছ চৰকাৰৰ ওচৰত প্ৰাৰ্থনা জনাই মোফাট্ মিলচ্‌ৰ ওচৰত এখন প্ৰতিবেদন দাখিল কৰিছিল। সেই আবেদন আৰু মিলচ্‌ৰ পৰামৰ্শৰ প্ৰতি চৰকাৰে কোনো সঁহাৰি নজনোৱা দেখি আনন্দৰামে 'A Few Remarks on the Assamese Language and on Vernacular Education in Assam" শীৰ্ষক এখন পুস্তিকা ছপা কৰি অসমীয়া ভাষাৰ স্বকীয়তা, প্ৰকাশিকা শক্তি আৰু স্বভূমিত প্ৰাপ্য অধিকাৰ প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰিছিল। আনন্দৰামে উপলব্ধি কৰিব পাৰিছিল যে, বাংলা ভাষাৰ যোগে ছাত্ৰৰ বৌদ্ধিক বিকাশ মুঠেই সম্ভৱ নহয়। সেয়েহে তেওঁ ওপৰোক্ত ভাষা সম্পৰ্কীয় পুস্তিকাৰ আৰম্ভণিতে লিখিছিল—"...We may be permitted to express our belief, that the error in question has been and is still likely to be, the pricipal cause of retarding the intellectual improvement of the people of Assam."

তেখেতে দুয়োটা ভাষাৰে পৰা উপযুক্ত উদ্ধৃতি তুলি ধৰি অসমীয়া আৰু বাংলাৰ মাজত থকা পাৰ্থক্য বিজ্ঞানসন্মত ভাৱে দাঙি ধৰিছে। অসমীয়া ভাষা যে গভীৰ ভাব প্ৰকাশ কৰিব পৰা ক্ষমতা সম্পন্ন ভাষা তাক প্ৰমাণ কৰিবলৈ প্ৰয়াস কৰিছিল।

পঢ়াশলীয়া পুথিৰ অভাৱৰ প্ৰতি লক্ষ ৰাখি আনন্দৰামে 'অমমীয়া ল'ৰাৰ মিত্ৰ' নামেৰে এখন পাঠ্যপুথিৰ দুটা ভাগ ১৮৪৯ চনত ৰচনা কৰি কিতাপ আকাৰে প্ৰকাশ কৰিছিল। তেওঁ এখন "ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইংৰাজী" অভিধান ৰচনা কৰিছিল। এই ক্ষেত্ৰত তেওঁক কোনো অসমীয়া মানুহে উৎসাহ দিয়া নাছিল। সেই সময়ৰ শিক্ষিত অসমীয়া অভিজাত শ্ৰেণীটোত অসমীয়া ভাষাটোৰ প্ৰতি দেখুওৱা উদাসীনতাই তেখেতক বিব্ৰত কৰিছিল, যিটো কথা তেখেতে অৰুণোদয়ৰ পাতত আক্ষেপ কৰি প্ৰকাশ কৰিছিল।

১৮৭৩ চনত অসমীয়া ভাষা অসমত পুনৰ প্ৰবৰ্তন কৰা হয়। ইয়াৰ সিংহভাগ কৃতিত্ব আনন্দৰামৰেই আছিল।

হেমচন্দ্ৰ বৰুৱা আছিল আধুনিক অসমীয়া গদ্যৰ জনক। অসমীয়া ভাষাক আধুনিক বিজ্ঞানসন্মত ৰূপ দিয়াত তেখেতৰ ভূমিকা যথেষ্ট আছিল। হেমচন্দ্ৰই ব্যাকৰণ, অভিধান ৰচনা কৰি অসমীয়া ভাষাটোৰ আধুনিক বিজ্ঞানসন্মত ৰূপ দি নতুন সাহিত্য সৃষ্টিৰ পথ উন্মুক্ত কৰিছিল।

অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম আৰম্ভ হোৱাৰ লগে লগে, ভাষাটোক সকলো ধৰণৰ ভাব প্ৰকাশৰ উপযোগী আধুনিক ৰূপ দিয়াৰ প্ৰয়োজনীয়তা আহি পৰিছিল। ইয়াৰো-পৰি ১৮৭৩ চনত অসমৰ পঢ়াশালি আৰু আদালতত অসমীয়া ভাষা পুনৰ প্ৰবৰ্তন কৰিলেও পাঠ্যপুথিৰ অভাৱত পঢ়াশালিত বাংলা ভাষায়েই ভালেকেইবছৰ চলিছিল। এনে এক পৰিস্থিতিক প্ৰত্যাহ্বান জনাই হেমচন্দ্ৰই কেইবা-খনো পঢ়াশলীয়া পুথি আৰু অভিধান ৰচনা কৰে।

আধুনিক অসমীয়া গদ্যৰো তেওঁ জনক আছিল। আধুনিক গদ্য ৰীতিৰ বিকাশত তেখেতৰ "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী" (১৮৭৬) আৰু "কানীয়া কীৰ্তন" (১৮৬১) এই দুখন পুথিৰ অৱদান অনস্বীকাৰ্য্য। প্ৰথম কিতাপখন অসমীয়া উপন্যাস সাহিত্যৰ পূৰ্বাভাষ বুলি ক'ব পাৰি। এই সকলোৰে ওপৰত তেওঁৰ অমৰ সৃষ্টি হ'ল "হেমকোষ অভিধান" (১৯০০) অসমীয়া ভাষাক এটা নিৰ্দিষ্ট ৰূপ দিয়াত হেমচন্দ্ৰ বৰুৱা সম্পাদিত "আসাম নিউচ" নামৰ ইংৰাজী অসমীয়া সাপ্তাহিক আলোচনীখনৰ অৱদানো উল্লেখযোগ্য।

অসমীয়া ভাষাৰ আধুনিক ৰূপদান আৰু নতুন সাহিত্য ৰচনাৰ ক্ষেত্ৰত গুণাভিৰাম বৰুৱা আছিল হেমচন্দ্ৰ বৰুৱাৰ সহযোগী। মধ্যযুগীয়া অসমৰ ৰক্ষণশীল সমাজ জীৱনৰ পৰা কিছুমান অন্ধসংস্কাৰ দূৰ কৰাৰ উদ্দেশ্যে ১৮৫৭ চনত ৰচনা কৰা গুণাভিৰামৰ 'ৰামনৱমী' নাটকেই আছিল প্ৰথম আধুনিক অসমীয়া নাটক। তেখেতৰ "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ" (১৮৮০) আধুনিক অসমীয়া ভাষাত ৰচিত প্ৰথম জীৱন চৰিত আছিল। ১৮৮৪ চনত ৰচিত 'আসাম বুৰঞ্জী' তেওঁৰ অন্যতম সাহিত্য কীৰ্তি।

আনন্দৰাম, হেমচন্দ্ৰ, গুণাভিৰাম আদি শিক্ষিত অসমীয়াই অসমত পাশ্চাত্য ভাবধাৰা প্ৰচাৰত অগ্ৰণী ভূমিকা লৈছিল। নতুন অগ্ৰগামী সমাজৰ অপৰিহাৰ্য্য উপাদান ইউৰোপীয় ভাব-ধাৰা, শিক্ষা, প্ৰাকৃতিক বিজ্ঞান, ইতিহাস, ভূগোল আদিৰ প্ৰচাৰত এই ত্ৰিমূৰ্ত্তিয়ে যথেষ্ট গুৰুত্ব দিছিল। হেমচন্দ্ৰ, গুণাভিৰামে সামন্তীয় ৰীতি-নীতি সংস্কাৰত কঠোৰভাৱে আঘাট হানি অগ্ৰগামী সমাজৰ কাৰণে ঠাই পৰিষ্কাৰ কৰাত উদ্যোগ লৈছিল। যিহেতু তেওঁলোকৰ সেই সময়ৰ সংস্কাৰ আন্দোলন আৰু জাতীয়তাবাদী ভাবধাৰা তুংগত থকা বংগৰ লগত প্ৰত্যক্ষ সংযোগ আছিল, সেয়েহে তেওঁলোকে এইবোৰৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত আৰু অনুপ্ৰাণিত হৈছিল।

বংগত ৰামমোহন, ইয়ং বেংগল, বিদ্যাসাগৰ আদিয়ে ধৰ্ম আৰু সমাজ সংস্কাৰৰ কাৰণে লোৱা উদ্যোগে একোটা আন্দোলন সংগঠিত কৰিছিল। কিন্তু হেমচন্দ্ৰ-গুণাভিৰামৰ সংস্কাৰ সাধনৰ প্ৰচেষ্টা ব্যক্তিগত ক্ষোভ আৰু প্ৰতিবাদৰ পৰ্য্যায়তে আছিল, আন্দোলনৰ ৰূপ লাভ কৰিব পৰা নাছিল। তেওঁলোকে ব্যক্তিগত পৰ্য্যায়তে কুসংস্কাৰ, ধৰ্মীয় কপটতা, গোড়ামী, ভণ্ডামি আদিৰ বিৰুদ্ধে থিয় দিছিল। এইবোৰৰ বিৰুদ্ধে থিয় দিয়াটো তৎকালীন সামাজিক পৰিস্থিতিত নিতান্তই প্ৰগতিশীল আৰু প্ৰেৰণা সঞ্চাৰকাৰী আছিল যদিও তেওঁলোকে অসমৰ জনসাধাৰণৰ জ্বলন্ত সমস্যাৰ প্ৰতি সচেতন

ভাবেই নিৰ্লিপ্ততা অবলম্বন কৰিছিল। নিজ শ্ৰেণীৰ উন্নতিক তেওঁলোকে অসম আৰু অসমীয়া জাতিৰ উন্নতি হিচাপে গণ্য কৰিছিল। আশাহত, অন্ন চিন্তাত জৰ্জৰ, দৰিদ্ৰ কৃষক জনসাধাৰণৰ প্ৰতি এওঁলোকে ভ্ৰুক্ষেপ কৰা নাছিল নিজৰ স্বাৰ্থ চেতনাই শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোক ব্ৰিটিচৰ বেচি ওচৰ চপাই নিছিল। তেওঁলোকে ব্ৰিটিছসকল অসন্তুষ্ট হ'ব পৰা একো কামেই কৰা নাছিল। ইয়াৰ বিনিময়ত তেওঁলোকে বিভিন্ন পদবী, সম্পদ আদিৰ ৰূপত ব্ৰিটিছৰ পৰা অনুগ্ৰহ লাভ কৰিছিল।

ঊনবিংশ শতিকাৰ বিভিন্ন কৃষক বিদ্ৰোহসমূহ আছিল, ব্ৰিটিছৰ ঔপনিবেশিক শোষণ নিপীড়ণৰ অনিবাৰ্য্য পৰিণতি। আনহাতে শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে কৃষক প্ৰজাৰ দুখ দুৰ্দশাৰ প্ৰতি উদাসীনতা অবলম্বন কৰি, নিজ শ্ৰেণীৰ বিকাশৰ প্ৰয়োজনতে ব্ৰিটিছৰ পৃষ্ঠপোষকতাত ভাষা সাহিত্যৰ বিকাশ সাধনত মনোযোগ দিছিল। নিজ স্বাৰ্থচেতনাৰ দ্বাৰা পৰিচালিত হ'লেও নতুন শিক্ষিত অসমীয়া বুদ্ধিজীৱি সকলৰ স্বাৰ্থচেতনাই ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত অসমীয়া ভাষাক আধুনিক বিজ্ঞানসন্মত ৰূপদান কৰি অসমত আধুনিক সাহিত্যিক সাংস্কৃতিক চেতনাত জগাই তুলিছিল। মধ্যবিত্ত শিক্ষিত বুদ্ধিজীৱি সকলৰ নানান দুৰ্বলতা, সীমাবদ্ধতা সত্বেও তেখেতসকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ বলতে বিশেষকৈ আনন্দৰাম, হেমচন্দ্ৰ আৰু গুণাভিৰাম, এই ত্ৰিমূৰ্ত্তিৰ চেষ্টাৰ ফলতেই অৰুণোদয় যুগৰ অসমীয়া গদ্যই পিছলৈ এক ওজঃ সম্পন্ন নিটোল ৰূপ পৰিগ্ৰহ কৰিলে। সেই ভাষাই 'জোনাকী'ৰ জন্মৰ লগে লগে এটা নিৰ্দিষ্ট ৰূপ লৈ নতুন সাহিত্য সৃষ্টিৰ পথ প্ৰশস্ত কৰিছিল।

ইংৰাজসকলে মণিৰাম দেৱানৰ যুগৰ প্ৰাচীন অভিজাত (old feudal) বৰ্গক ক্ৰমে ক্ৰমে আঁতৰাই এক শ্ৰেণী ইংৰাজী শিক্ষিত নব্য জমিদাৰৰ (Neo feudal) সৃষ্টি কৰিছিল। এই নব্য জমিদাৰ বা নব্য অভিজাত শ্ৰেণীৰ মাজৰপৰাই অসমৰ উদীয়মান ধনীক শ্ৰেণীয়ে দ্ৰুতগতিত বিকাশ লাভ কৰিবলৈ ধৰে। ইংৰাজী বণিকে অসমত প্ৰবৰ্তন কৰা নতুন অৰ্থনৈতিক ব্যৱস্থাৰ অধীনত এই নব্য শিক্ষিত অভিজাত শ্ৰেণীয়ে চাহ-বাগিচা, হাতীৰ মহল, কাঠৰ ব্যৱসায়, ছপাখানাৰ ব্যৱসায় আদিত পুঁজি খটুৱাই আন আন ভাৰতীয় ধনীক ব্যৱসায় গোষ্ঠীৰ সৈতে প্ৰতিযোগিতা চলাবলৈ যত্ন কৰিছিল। হৰিবিলাস আগৰৱালা, মাণিকচন্দ্ৰ বৰুৱা, অন্নদাৰাম ঢেকিয়াল ফুকন, কমলা কান্ত ভট্টাচাৰ্য্য আদিৰ পুঁজি প্ৰতিষ্ঠাৰ প্ৰচেষ্টা এই যুগৰ উল্লেখযোগ্য ঘটনা।

এই অভিজাত বৰ্গৰ ঔৰসতেই জোনাকী যুগৰ অসমীয়া বুদ্ধিজীৱি আৰু মধ্যবিত্ত সকলৰ জন্ম। ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধত, সেই সময়ৰ ভাৰতৰ ৰাজধানী কলিকতা নগৰীত উচ্চ শিক্ষাৰ বাবে যোৱা অসমীয়া ছাত্ৰ সকলেই আধুনিক অসমীয়া মধ্যবিত্তৰ বাটকটীয়া আছিল। অৰুণোদয়ৰ পিছত কলিকতা প্ৰবাসী এই অসমীয়া তৰুণবৃন্দৰ নেতৃত্বত প্ৰকাশ পোৱা 'জোনাকী' আলোচনীতেই অসমীয়া জাতি আৰু ভাষাৰ নবজাগৰণৰ যুগ আৰম্ভ হৈছে বুলি কোৱা হয়।

সাম্ৰাজ্যবাদৰ কবলত থকা অসমৰ আংশিক পুঁজিবাদ আৰু আংশিক নব্য সামন্তবাদৰ লগত

খাপ খোৱাকৈ সাহিত্য সংস্কৃতি আৰু অৰ্থনীতি গঢ়ি তোলাত 'জোনাকী' আলোচনীৰ অৱদান অসামান্য। অসমীয়া জাতীয়তাবাদৰ উত্তপ্ত বীজৰ সঞ্চাৰণ এই সাহিত্য কৃতিৰ অন্যতম দিশ।

'জোনাকী' আলোচনী ১৮৮৯ চনৰ পৰা চাৰি বছৰ কাল চলে। এই আলোচনীখনক কেন্দ্ৰ কৰি এদল ইতিহাস প্ৰসিদ্ধ অসমীয়া বুদ্ধিজীৱি আৰু যুগ সচেতন তৰুণ লিখকৰ সমাবেশ হয়। উনবিংশ শতিকাৰ শেষাংশৰ পৰা বৰ্তমান যুগলৈও এই সাহিত্যসেৱী সকলেই অসমীয়া ৰাইজৰ মনোজগতত অখণ্ড প্ৰভাৱ বিস্তাৰ কৰি আছিছে। এখেত সকলৰ ভিতৰৰ কেইজনমান আছিল— (১) গুণাভিৰাম বৰুৱা ( ১৮৩৭-৯৪ ), (২) কমলাকান্ত ভট্টাচাৰ্য্য ( ১৮৫৪-১৯৩৬ ), (৩) ৰত্নেশ্বৰ মহন্ত, ৰামদাস গোস্বামী ( ১৮৬৪-৯৩ ), (৪) চন্দ্ৰকুমাৰ আগৰৱালা ( ১৮৬৭-১৯৩৮ ), (৫) ৰজনীকান্ত বৰদলৈ ( ১৮৬৭-১৯৩৯ ), (৬) লক্ষ্মীনাথ বেজবৰুৱা ( ১৪৬৮-১৯৩৮ ), (৭) হেমচন্দ্ৰ গোস্বামী ( ১৮৭২-১৯২৮ ), (৮) কনকলাল বৰুৱা ( ১৮৭২-১৯৪০ ), ইত্যাদি।

এই লিখক সমাজৰ কেন্দ্ৰীয় আৰু নেতৃস্থানীয় চৰিত্ৰ আছিল লক্ষ্মীনাথ বেজবৰুৱা। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীক 'জোনাকী' যুগৰ 'ত্ৰিমূৰ্তি' বুলি আখ্যা দিয়া হয়।

'জোনাকী' যুগৰ বুদ্ধিজীৱিসকলে বঙ্গদেশৰ উদীয়মান ধনিক গোষ্ঠী আৰু নব্য জমিদাৰৰ লগত বন্ধুত্ব স্থাপন কৰিছিল। তেওঁলোকৰ ৰচনা ৰাজিত ঠায়ে ঠায়ে অসমীয়া বঙালী বিতৰ্ক উত্থাপিত হ'লেও, তেওঁলোকে বঙ্গদেশৰ ধনিক শ্ৰেণী আৰু নব্য জমিদাৰ শ্ৰেণীৰ প্ৰতি কোনো বিদ্বেষমূলক মন্তব্য দিয়া নাছিল। কিন্তু সেই একেই সময়তে অসমত চাকৰি কৰা অতি সাধাৰণ বঙালী কেৰাণীৰ বিৰুদ্ধে তীব্ৰ বিদ্বেষ প্ৰকাশ কৰিছিল। সেই বাবেই এই বুদ্ধিজীৱি সকলৰ মাজত এক দ্বৈত চৰিত্ৰৰ আভাষ পোৱা যায়।

লক্ষ্মীনাথ বেজবৰুৱাই কলেজীয়া জীৱনত ৰঙ্গলাল চট্টোপাধ্যায় ছদ্মনাম লৈ বাংলা ভাষাত কবিতা লিখি বাংলা সাহিত্য চৰ্চ্চা কৰিবলৈ ওলাইছিল। তেওঁৰ কবিতা কেইটা বাংলা আলোচনীত প্ৰকাশ নাপালে। বেজবৰুৱাই সম্পাদকৰ পৰা পোৱা ভৎসনাৰ দ্বাৰা 'আত্মোলব্ধি' কৰিব শিকিলে আৰু নিজ মাতৃভাষা প্ৰতিষ্ঠাৰ বাবে চিন্তিত হৈ পৰিল। বাংলাভাষী বা বঙ্গদেশৰ প্ৰতি বেজবৰুৱাৰ অকণো অশ্ৰদ্ধা নাছিল। বঙালী মানে তেওঁ বুজিছিল বঙ্গদেশৰ অভিজাত বা নব্য জমিদাৰ শ্ৰেণীক

ব্যক্তিগত জীৱনত বেজবৰুৱাই নিজৰ পত্নী বা মৰমৰ জীয়েকহঁতলৈ কাহানিও এবাৰো অসমীয়া ভাষাৰে চিঠি লিখা নাই। এবাৰো তেওঁলোকক অসমীয়া ভাষা শিকোৱাৰ যত্ন কৰা নাই। আনকি তেওঁৰ মাতৃভূমি অসমত পৰিয়াল লৈ তেওঁ এবাৰো থকা নাই। তেওঁৰ অতি মৰমৰ জীয়ৰী 'সুৰভি'ৰ বিষয়ে 'মোৰ জীৱন সোঁৱৰণ'ত লিখোতে তেখেতে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল যে সুৰভিয়ে হিন্দী আৰু অলপ ইংৰাজীৰ বাহিৰে আন ভাষা নাজানিছিল। সেই সময়ত তেখেতে সম্পূৰ্ণ চাহাবী ৰোগগ্ৰস্থ আছিল। সেয়েহে তেখেতে হিন্দুস্থানী আয়া ৰাখি সুৰভিক সেই আয়াৰ হাতত দি হিন্দুস্থানী ভাষা শিকোৱাই, কোৱাই আত্মপ্ৰসাদ লাভ কৰিছিল।

আচলতে বেজবৰুৱা 'চাহাবী ৰোগগ্ৰস্থ'